**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headlines***
--------------------

১। দেশত চলিত বিত্তীয় বৰ্ষত মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে দাখিল কৰা অৰ্থনৈতিক সমীক্ষাত প্ৰকাশ পাইছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সংসদৰ দুয়োখন অধিবেশনত ভাষণ দিয়াৰ সময়ত ক্লান্ত হোৱা নাছিল বুলি ৰাষ্ট্ৰপতি ভৱনে স্পষ্ট কৰি দিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ খৰতকীয়া বিকাশৰ বাবে ডাবল ইঞ্জিন চৰকাৰৰ প্ৰয়োজন আছে।

**আৰু**

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি পুণেত অনুষ্ঠিত হৈছে।

oooooo

ভাৰতৰ চলিত বিত্তীয় বৰ্ষত প্ৰকৃত মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে আৰু ২০২৬ বিত্তীয় বৰ্ষত এই বৃদ্ধিৰ হাৰ ৬ দশমিক ৩ শতাংশৰ পৰা ৬ দশমিক ৮ শতাংশ হোৱাৰ সম্ভাৱনা আছে। সংসদৰ দুয়োখন সদনতে আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই প্ৰাক্-বাজেট সমীক্ষা অনুসৰি দেশৰ ঘৰুৱা অৰ্থনীতি টনকীয়াল হৈ থাকিব বুলি কোৱা হৈছে। অৱশ্যে সেৱা খণ্ড আৰু কৃষি খণ্ডত অৰ্থনৈতিক বিকাশ অপৰিৱৰ্তিত থাকিব। খাৰিফ শস্যৰ অভিলেখ পৰিমাণৰ উৎপাদনৰ ফলত গ্ৰামাঞ্চলত চাহিদা বৃদ্ধি পাই কৃষিখণ্ডত ইতিবাচক প্ৰভাৱ পৰিব। সমীক্ষা অনুসৰি গোলকীয় চাহিদা হ্ৰাস আৰু স্থানীয় জলবায়ুৰ প্ৰভাৱৰ বাবে নিৰ্মাণ খণ্ডত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

সমীক্ষাই প্ৰকাশ কৰা অনুসৰি ২০১১-১২ বিত্তীয় বৰ্ষৰ তুলনাত চলিত বিত্তীয় বৰ্ষৰ প্ৰথমটো ত্ৰিমাসিকত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৭ শতাংশ আৰু দ্বিতীয়টো ত্ৰিমাসিকত ৫ দশমিক ৪ শতাংশ বৃদ্ধি হয়। অৰ্থাৎ চলিত বিত্তীয় বৰ্ষৰ প্ৰথমাৰ্দ্ধত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ শতাংশ বৃদ্ধি হৈছে। চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয়টো ত্ৰিমাসিকত কৃষি খণ্ডৰ বিকাশৰ হাৰ ৩ দশমিক ৫ শতাংশ হোৱাৰ ফলত বিত্তীয় বৰ্ষৰ প্ৰথমাৰ্ধত কৃষি খণ্ডৰ বিকাশৰ হাৰ অপৰিৱৰ্তিত হৈ আছে। চলিত বিত্তীয় বৰ্ষৰ প্ৰথমাৰ্ধত ঔদ্যোগিক খণ্ডৰ বিকাশ ৬ শতাংশ বৃদ্ধি হৈছে আৰু প্ৰথম

ত্ৰিমাসিকত ইয়াৰ বিকাশৰ হাৰ ৮ দশমিক ৩ শতাংশ বৃদ্ধি হৈছিল। সেৰা খণ্ডত প্ৰথমাৰ্ধত বিকাশৰ হাৰ ৭ দশমিক ১ শতাংশ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। সমীক্ষা অনুসৰি দেশৰ বিত্ত খণ্ড ক্ৰমান্বয়ে উন্নত হৈছে।

নিয়োগ খণ্ডত দেশত ১৫ বছৰ বা ততোধিক বয়সৰ নিবনুৱাৰ হাৰ ২০১৭-১৮ বৰ্ষৰ ৬ শতাংশৰ পৰা ২০২৩-২৪ বৰ্ষত ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি সমীক্ষাটোত কোৱা হৈছে।

০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। বিত্ত মন্ত্ৰীৰে কাইলৈ বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ কাইলৈ দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

ইয়াৰ আগতে আজি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি সংসদৰ উভয় সদনত প্ৰাক বাজেট অৰ্থনৈতিক সমীক্ষা দাখিল কৰে। এই সমীক্ষাত ২০২৫-২৬ বিত্তীয় বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৬ দশমিক ৪ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। তদুপৰি দেশৰ বিত্তীয় শৃংখলাও ক্ৰমাগতভাৱে বৃদ্ধি পোৱা বুলি কোৱা হৈছে। ২০১৭-১৮ চনৰ তুলনাত ১৫ বছৰ উৰ্ধৰ নিবনুৱাৰ হাৰ ৬ শতাংশৰ পৰা ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে বুলি অৰ্থনৈতিক সমীক্ষাত কোৱা হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি সংসদৰ দুয়োখন অধিবেশনত ভাষণ দিয়াৰ সময়ত ক্লান্ত হোৱা নাছিল বুলি ৰাষ্ট্ৰপতি ভৱনে স্পষ্ট কৰি দিছে। আজি আবেলি ৰাষ্ট্ৰপতি ভৱনৰ পৰা জাৰি কৰা এটা বিবৃতিত কোৱা হৈছে যে কেইগৰাকীমান জ্যেষ্ঠ কংগ্ৰেছ নেতাই ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত কৰা কেতবোৰ মন্তব্যই দেশৰ সাংবিধানিক মুৰব্বীগৰাকীৰ সন্মান লাঘৱ কৰিছে আৰু ই কোনো পধ্যে গ্ৰহণযোগ্য নহয়। এই বিবৃতিটোত কোৱা হৈছে যে দেশৰ অতি পিছপৰা সম্প্ৰদায়, মহিলা আৰু খেতিয়কৰ বিষয়ে ক'বলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কেতিয়াও ভাগৰ অনুভৱ নকৰে। কংগ্ৰেছৰ নেতাসকলে হিন্দীৰ লেখিয়া ভাৰতীয় ভাষাৰ গূঢ়াৰ্থ ভালদৰে নুবুজাৰ বাবেই এনে ধৰণৰ ভুল ধাৰণাৰ বশৱৰ্ত্তী হৈছে বুলি ৰাষ্ট্ৰপতি ভৱনৰ বিবৃতিখনত কোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰ ভাষণ সন্দৰ্ভত কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে কৰা মন্তব্যৰ গৰিহণা দিছে। শ্ৰীমোদীয়ে কয় যে এই মন্তব্যই দেশৰ ১০ কোটি জনজাতীয় ভাই-ভনীক কংগ্ৰেছে অপমান কৰিছে।

ইয়াৰ আগতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰসাদ নাড্ডাই কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধীয়ে ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত কৰা মন্তব্যই দলটোৰ দৰিদ্ৰ বিৰোধী আৰু জনজাতি বিৰোধী মনোভাৱ আৰু উচাত্মিকাবোধকে সূচায় বুলি অভিযোগ কৰে।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাৰ পদপিষ্টৰ ঘটনাৰ তদন্তৰ বাবে গঠিত ন্যায়িক আয়োগে আজি ত্ৰিবেণী সংগম ঘাট পৰিদৰ্শন কৰি ঘটনাৰ সবিশেষ বুজ লয়। আয়োগে লগতে বিশাল পৰিসৰত আয়োজন কৰা এই মহাকুম্ভ মেলাৰ আয়োজকৰ লগত জড়িত সংশ্লিষ্ট সকলো পক্ষৰ সৈতে এখন বৈঠকত মিলিত হয়। যোৱা বুধবাৰে মহাকুম্ভ মেলাত হোৱা পদপিষ্টৰ ঘটনাত ৩০গৰাকী লোকে প্ৰাণ হেৰুৱাইছিল আৰু ৬০গৰাকীৰো অধিক লোক আহত হৈছিল। আয়োগে এমাহৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনে ভৱিষ্যতে এনে ধৰণৰ বৃহৎ আয়োজনত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণত বিশেষ গুৰুত্ব প্ৰদান কৰিব। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ হৰ্ষ কুমাৰৰ অধ্যক্ষতাত ইয়াৰ তদন্তৰ বাবে তিনিজনীয়া ন্যায়িক আয়োগ গঠন কৰা হৈছে।

০০০০০০

৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনলৈ মাজত মাত্ৰ চাৰি দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰায় আটাইবোৰ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে জনসাধাৰণৰ সমৰ্থন আদায়ৰ বাবে জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাসকলৰ ঘৰে ঘৰে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ খৰতকীয়া বিকাশৰ বাবে ডাবল ইঞ্জিন চৰকাৰৰ প্ৰয়োজন আছে। নতুন দিল্লীৰ দ্বাৰকাত আজি এখন জনসভাত ভাষণ দি শ্ৰীমোদীয়ে কয় যে দিল্লীৰ জনসাধাৰণৰ বাবে এনে এখন চৰকাৰৰ প্ৰয়োজন আছে যিখন চৰকাৰে সকলোৰে প্ৰয়োজনীয়তাসমূহ যেনে- দৰিদ্ৰসকলৰ বাবে গৃহ নিৰ্মাণ, দিল্লীৰ আধুনিকীকৰণ আৰু প্ৰতিটো বাসগৃহৰ বাবে নলযোগে খোৱাপানীৰ সুবিধা পূৰণ কৰিব পাৰে। তেওঁ দিল্লীৰ আম আদমী পাৰ্টীৰ চৰকাৰখনক দুৰ্নীতি পৰায়ণ আৰু শোষণকাৰী বুলি অভিযোগ কৰিছে। তেওঁ কয় যদি দিল্লীত বিজেপি ক্ষমতালৈ আহে তেতিয়া ৰাজধানীৰ ক্ষেত্ৰৰেই নহয় গ্ৰামাঞ্চলৰ বাবেও দিল্লীক আদৰ্শ ৰাজধানী হিচাপে গঢ়ি তোলা হ'ব। তেওঁ লগতে কয় যে বিজেপি ক্ষমতালৈ আহিলে প্ৰথমখন অধিবেশনতে কেগৰ প্ৰতিবেদন দাখিল কৰা হ'ব। ইয়াত বৰ্তমানৰ দিল্লী চৰকাৰৰ দুৰ্নীতিৰ সবিশেষ দাখিল কৰা হ'ব। শ্ৰীমোদীয়ে লগতে আম আদমী পাৰ্টীৰ চৰকাৰখনক কেন্দ্ৰীয় চৰকাৰৰ লগতে নহয় আন ৰাজ্যৰ চৰকাৰসমূহৰ সৈতে বিবাদত লিপ্ত হয় বুলি অভিযোগ কৰে। দিল্লীৰ জনসাধাৰণক বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতিসমূহ পালন কৰাৰ আশ্বাস দি তেওঁ কয় যে এয়া হৈছে মোদীৰ গেৰাণ্টি। বিগত ১১ বছৰত অসম্পূৰ্ণ হৈ থকা কামসমূহ সম্পূৰ্ণ কৰাৰ প্ৰতিশ্ৰুতিও তেওঁ প্ৰদান কৰে। তেওঁ লগতে যমুনা নৈৰ প্ৰদূষণৰ সন্দৰ্ভত কৰা আম আদমী পাৰ্টীৰ মন্তব্যক সমালোচনা কৰে।

০০০০০০

আপৰ নেতা অৰবিন্দ কেজৰিৱালে আজি যমুনা নৈৰ পানীৰ গুণাগুণ সন্দৰ্ভত কৰা মন্তব্যৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগে প্ৰেৰণ কৰা পত্ৰৰ উত্তৰ দাখিল কৰে। উল্লেখযোগ্য আপৰ নেতাগৰাকীয়ে যমুনা নৈৰ পানীত বিহ ঢলা সন্দৰ্ভত কৰা পূৰ্বৰ মন্তব্যৰ ব্যাখ্যা বিচাৰি নিৰ্বাচন আয়োগে শ্ৰীকেজৰিৱাললৈ জাননী জাৰি কৰিছিল। শ্ৰীকেজৰিৱালে তেওঁৰ পূৰ্বৰ মন্তব্য সন্দৰ্ভত দাখিল কৰা উত্তৰত যমুনা নৈত বৃদ্ধি হোৱা এমনিয়াৰ ফলত পানী

প্ৰদূষিত হোৱাৰ কথা স্পষ্টকৈ উল্লেখ কৰে। পৰিবেশ সংকটৰ এই সময়ছোৱাত তেওঁ কৰা মন্তব্যৰ আঁৰত কোনো অসৎ উদ্দেশ্য নাছিল বুলি আয়োগত দাখিল কৰা উত্তৰত শ্ৰীকেজৰিৱালে উল্লেখ কৰে।

০০০০০০

পাঞ্জাবৰ ফিৰোজপুৰত আজি সংঘটিত এটা পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ১২জনলৈ বৃদ্ধি পাইছে। এই দুৰ্ঘটনাত আন ৯জন লোক গুৰুতৰভাৱে আহত হয়। আমালৈ অহা বাতৰি অনুসৰি এখন ট্ৰাক আৰু কেণ্টাৰৰ মাজত হোৱা সংঘৰ্ষৰ ফলত ট্ৰাকখনত যাত্ৰা কৰা পাঁচজন লোকৰ থিতাতে মৃত্যু হয়। আহতসকলক ফিৰোজপুৰ আৰু ফৰিদকোটৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। পাঞ্জাৱ চৰকাৰে নিহত লোকসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্য ঘোষণা কৰিছে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি পুণেত অনুষ্ঠিত হৈছে। টছত জিকি ইংলেণ্ডে প্ৰথমে ভাৰতক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰত সম্প্ৰতি শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০

মালয়েছিয়াৰ কোৱালালামপুৰত আজি অনুষ্ঠিত মহিলাৰ ১৯ বছৰ অনুৰ্ধ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰতে ইংলেণ্ডক ৯ উইকেটত পৰাস্ত কৰে। অহা দেওবাৰে ভাৰতে প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব।

০০০০০০

সমাপ্ত